উত্তৰ-পূৰ্বাঞ্চল

কটকটীয়া নিৰাপত্তাৰ মাজত ত্রিপুৰাৰ পৌৰ নির্বাচনৰ ভোটগ্রহণ আৰম্ভ

আগৰতলা পৌৰ নিগমসহ ত্রিপুৰাৰ ১৬ খন পৌৰ সংস্থাৰ ২৬৮ টা ৱার্ডৰ বাবে পুৱাৰে পৰা কটকটীয়া নিৰাপত্তাৰ মাজত ভোটদান প্রক্রিয়া অব্যাহত আছে।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৫



Tripura civic poll (NewzNow)

আগৰতলা, ২৭ নৱেম্বৰ: কটকটীয়া নিৰাপত্তাৰ মাজেৰে শুকুৰবাৰে পুৱাৰে পৰা আগৰতলা পৌৰ নিগমকে ধৰি ত্রিপুৰাৰ ১৬ খন পৌৰ সংস্থাৰ নির্বাচনৰ ভোটগ্রহণ আৰম্ভ হৈছে।

ৰাজ্যখনৰ ১৬ খন পৌৰ সংস্থাৰ মুঠ ২৬৮ খন আসনৰ বাবে এই নির্বাচন অনুষ্ঠিত হৈছে। নির্বাচনত প্রতিদ্বন্দ্বিতা কৰা ৭৩৩ গৰাকী প্রার্থীৰ ভাগ্য নির্ণয় কৰিব ৫.৫৬ লাখ ভোটাৰে। ইয়াৰে ভিতৰত কেৱল আগৰতলা পৌৰ নিগমতেই আছে ৫১ টা ৱার্ড।

ৰাজ্যিক নির্বাচন আয়োগৰ সচিব অনুৰাগ সেনে জনায় যে ৰাজ্যৰ সকলো ভোটকেন্দ্রত পুৱা ৭ বজাৰ পৰা শান্তিপূর্ণভাৱে ভোটগ্রহণ প্রক্রিয়া আৰম্ভ হৈছে আৰু বিয়লি ৪ বজালৈকে এই ভোটদান চলিব। তেওঁ লগতে এতিয়ালৈকে নির্বাচন শান্তিপূর্ণভাৱে চলি থকা বুলি উল্লেখ কৰে।

শান্তিপূর্ণ আৰু নিকা ভোটগ্রহণ নিশ্চিত কৰিবলৈ প্রায় ৪,৬০০ গৰাকী ভোটগ্রহণকাৰী কর্মচাৰীক দায়িত্ব দিয়া

হৈছে। ইয়াৰ উপৰি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৩৯ টা কোম্পানীকে ধৰি ১০ হাজাৰৰো অধিক নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে।

ৰাজনৈতিক দলসমূহৰ ভিতৰত বিজেপিয়ে সৰ্বাধিক ২৬৬ গৰাকী প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে চিপিআই(এম)-এ ২২৮ গৰাকী আৰু কংগ্ৰেছে ২০১ গৰাকী প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। ফলত পৌৰ সংস্থাসমূহৰ দখলক লৈ তিনিওটা দলৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা দেখা গৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6784/tripura-civic-polls-voting-underway